**WATER PURIFIER CUM COOLER DONATED BY PUNJAB & SINDH BANK, GUWAHATI ON 24.06.2026**






'আমাৰ অসম'ৰ মৰিগাঁৱৰ প্ৰতিনিধি, ২৪ জুন ঃ মৰিগাঁও পৌৰসভাৰ পৌৰপতি যুৱ নেতা যোগেশ তামুলীলৈ আগবঢ়োৱা হৈছে পঞ্চৰত্ন বঁটা। টাইম নিউজ অসমৰ উদ্যোগত আৰু জুবিন গাৰ্গ অনুৰাগী মঞ্চৰ সহযোগত আগন্তুক ২৮ জুনত গুৱাহাটী চানমাৰীৰ পেঞ্চনাৰ ভৱনত অনুষ্ঠিত হ'বলগীয়া এক বিশেষ অনুষ্ঠানত তামুলীক আনুষ্ঠানিকভাৱে এই সন্মান প্ৰদান কৰা হ'ব। মৰিগাঁও পৌৰসভাক সুদক্ষ নেতৃত্ব প্ৰদান কৰি জনসেৱাৰ ক্ষেত্ৰত আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ স্বীকৃতি হিচাপে এই বঁটা আগবঢ়োৱা হৈছে বুলি আয়োজকসকলে জানিবলৈ দিয়ে।

জীৱনত আগবাঢ়ি যাবলৈ যথেষ্ট অনুপ্ৰাণিত কৰিব বুলি আশা প্ৰকাশ কৰে আৰু অনুষ্ঠানটোত স্থানীয় বহুসংখ্যক সাহিত্যপ্ৰেমী ৰাইজ উপস্থিত থাকে।

# গীতানগৰ কলেজত পঞ্জাৱ এণ্ড সিন্ধ বেংকৰ পানী বিশুদ্ধীকৰণ আৰু শীতলীকৰণ যন্ত্ৰ প্ৰদান

**'আমাৰ অসম'ৰ মহানগৰৰ বিশেষ প্ৰতিবেদক, ২৪ জুন ঃ** মহানগৰীৰ গীতানগৰ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ মাজত বিশুদ্ধ খোৱাপানীৰ নাটনি দূৰ কৰাৰ লক্ষ্যৰে পঞ্জাব এণ্ড সিন্ধ বেংকে প্ৰতিষ্ঠা দিৱস উপলক্ষে এক বিশেষ সামাজিক পদক্ষেপ গ্ৰহণ কৰিছে। বেংক কৰ্তৃপক্ষই গুৱাহাটীৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান গীতানগৰ মহাবিদ্যালয়ত এটি অত্যাধুনিক 'ৱাটাৰ পিউৰিফায়াৰ কাম কুলাৰ' অৰ্থাৎ পানী বিশুদ্ধীকৰণ তথা শীতলীকৰণ যন্ত্ৰ দান কৰে। ডঃ ৰীণাৰাণী বৰদলৈ সোঁৱৰণী প্ৰেক্ষাগৃহত গীতানগৰ মহাবিদ্যালয় আৰু পঞ্জাব এণ্ড সিন্ধ বেংকৰ যৌথ উদ্যোগত এখন সজাগতামূলক সভা অনুষ্ঠিত কৰা হয়। সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সত্যজিৎ কলিতাৰ লগতে পঞ্জাৱ এণ্ড সিন্ধ বেংকৰ শাখা-প্ৰবন্ধক প্ৰভাকৰ মজুমদাৰ, কে. এইচ. কেনেডি সিং, শান্তনু চন্দ্ৰ দাস, জ্যেষ্ঠ প্ৰবন্ধক দৰ্শন মাংগাৰ, বেংক বিষয়া প্ৰফুল্ল বড়ো আৰু অন্য বিষয়ববীয়া সকল উপস্থিত থাকে। গীতানগৰ মহাবিদ্যালয় শিক্ষক গোটৰ সভাপতি ৰেখামণি কলিতা আৰু সম্পাদক ৰূপামণি তালুকদাৰে আঁত ধৰা অনুষ্ঠানত অধ্যক্ষ ডঃ কলিতাই বিশুদ্ধ খোৱা-পানীৰ উপকাৰিতা সম্পৰ্কে বহুমূলীয়া মন্তব্য আগবঢ়ায়। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীবৃন্দ আৰু শিক্ষাৰ্থী সকলৰ উপস্থিতিত বেংকৰ প্ৰতিনিধি দলটোৱে এই যন্ত্ৰটো আনুষ্ঠানিকভাৱে মহাবিদ্যালয় কৰ্তৃপক্ষক প্ৰদান কৰে।

